**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
---------------------

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলা আছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বিষয়ববীয়াসকল ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

গোলাঘাট জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি পুৱাৰে পৰা প্ৰিজাইডিং পোলিং বিষয়াৰ লগতে নিৰাপত্তাৰক্ষীসকল নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে যাত্ৰা কৰিছে। জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ হ'ব। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

শিৱসাগৰ জিলাতো কাইলৈ ভোটগ্ৰহণৰ বাবে দায়িত্ববাহী বিষয়া তথা সুৰক্ষা কৰ্মীসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছেগৈ। জিলাখনৰ পাঁচখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। ৮৫৮টা ভোটগ্ৰহণ কেন্দ্ৰত এই ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত দুহেজাৰ ২৯১গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ইয়াৰে ২১৬গৰাকী আঞ্চলিক পঞ্চায়ত, ৩৭গৰাকী জিলা পৰিষদ আৰু দুজেৰা ৩৮গৰাকী গাঁও পঞ্চায়ত সদস্যপদৰ প্ৰাৰ্থী। জিলাখনত ৫ লাখ এহেজাৰ ১৫১গৰাকী ভোটদাতা আছে।

ধেমাজি জিলাতো কাইলৈ ৫ লাখ ১০ হাজাৰ ৫৩৭গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। জিলাখনত এহেজাৰ ৮০৮গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। নিৰ্বাচনৰ বাবে নিয়োজিত ৩ হাজাৰ ৬০৯গৰাকী বিষয়া-কৰ্মচাৰীৰ লগতে সুৰক্ষা কৰ্মীসকল প্ৰয়োজনীয় সামগ্ৰী লৈ ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে।

শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা আয়ুক্তই সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দায়িত্বত নিয়োজিত সকলোকে নিৰ্দেশ দিছে। এখন সংবাদমেলযোগে আয়ুক্তগৰাকীয়ে কয় যে এই নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন দায়বদ্ধ। জিলাখনত ৮ লাখ ৬১ হাজাৰ ভোটদাতাই কাইলৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

oooooo

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগে নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাসৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰে। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা উপস্থিত থাকে।

অনুষ্ঠানত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বড়োফাৰ স্মৃতিত এবছুৰে আজি বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বাসগৃহ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে।

ইপিনে, অসম চৰকাৰৰ উদ্যোগত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে আজি নতুন দিল্লীত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ ল'ব। তেওঁ লগতে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ ল'ব। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। হেমচন্দ্ৰ বৰুৱাৰ ১২৯ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰতিমূৰ্তিস্থলীত ভাষাৰ ওজাগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ লগতে ভাষাৰ ওজাগৰাকীৰ পৰিয়ালৰ উপস্থিতিত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সংক্ষিপ্ত স্মৃতিচাৰণ সভা, গছপুলি ৰোপন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

চৰাইদেউ জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজ সেৱিকা অঞ্জলী মোহন চেতিয়াক টাই-আহোম যুৱ পৰিষদৰ চৰাইদেও জিলা সমিতিয়ে কালি ২০২৫ বৰ্ষৰ বীৰাঙ্গনা মূলাগাভৰু বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন চেলেং, গামোচা, জাপি, এখন হেংডাং, সম্বৰ্ধনা পত্ৰ আৰু এটা স্মাৰক পত্ৰ। অনুষ্ঠানৰ লগত সংগতি ৰাখি **ব্লক চেন মৌং** শীৰ্ষক স্মৃতিগ্ৰন্থ যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দেৱব্ৰত শৰ্মাই উন্মোচন কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত যোৱানিশা পাঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত ছটা উইকেট হেৰুৱাই ১৯৪ ৰান সংগ্ৰহ কৰে।

০০০০০০

সমাপ্ত